# ভাষা আৰু সাহিত্য
## বিচাৰ আৰু বিশ্লেষণ


সম্পাদনা
ড° দীপ্তি ফুকন পাটগিৰি
ড° স্মৃতিৰেখা ভূঞা | ড° মনালিছা বৰা



SINCE : 1970



ভাষা আৰু সাহিত্য
বিচাৰ আৰু বিশ্লেষণ
সম্পাদনা
ড° দীপ্তি ফুকন পাটগিৰি
ড° স্মৃতিৰেখা ভূঞা
ড° মনালিছা বৰা


ভাষা আৰু সাহিত্য ঃ বিচাৰ আৰু বিশ্লেষণ শীৰ্ষক গ্ৰন্থখনত সন্নিবিষ্ট হোৱা ২২ টা প্ৰবন্ধৰ ১২ টা ভাষা সম্পৰ্কীয় আৰু দহোটা সাহিত্য আৰু সংস্কৃতি সম্পৰ্কীয়। শংকৰোত্তৰ যুগৰ ভাষা, শংকৰী যুগৰ ভাষা, অসমীয়া ভাষাৰ লগত কেইটামান আধুনিক ভাৰতীয় আৰ্যভাষাৰ তুলনা শীৰ্ষক প্ৰবন্ধ কেইটাই গ্ৰন্থখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। সামাজিক পৰিৱৰ্তন, ভাষা সংৰক্ষণ, উপভাষা, লোকসাহিত্যৰ ভাষা, অসমৰ আৰ্যভিন্ন ভাষাৰ কেইটিমান দিশে গ্ৰন্থখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। তদুপৰি অসমীয়া গদ্যৰ দুটিমান প্ৰবন্ধ, বাংলা উপন্যাস, অসমীয়া নাটক, কবিতা, হাস্য-ব্যংগ ৰচনা আদিৰ আলোচনাও গ্ৰন্থখনৰ অন্যতম আকৰ্ষণ। বাংলা আৰু অসমীয়া শিশু সাহিত্যৰ তুলনামূলক অধ্যয়নৰ লগতে মহেন্দ্ৰ বৰাৰ ভাষা আৰু ৰচনাশৈলী শীৰ্ষক প্ৰবন্ধইও ইয়াত স্থান লাভ কৰিছে। ৰাভা আৰু চাহ জনগোষ্ঠীৰ সংস্কৃতিৰ আলোকপাত কৰা দুটি প্ৰবন্ধও সম্পাদিত গ্ৰন্থখনৰ বিশেষ অংগ।


ভাষা আৰু সাহিত্য
বিচাৰ আৰু বিশ্লেষণ



ISBN 978-81-86384-43-5
9 788186 384435

Bhasa aru Sahitya
Bichar aru Bisleshan
Edited by Dr. Dipti Phukan Patgiri,
Dr. Smritirekha Bhuyan & Dr. Monalisha Bora

প্ৰকাশক

Since:1970

অসম পাবলিচিং কোম্পানী
কলেজ হোষ্টেল ৰোড
পাণবজাৰ, গুৱাহাটী-১
ফোন ঃ ০৩৬১-২১৩০১৫৯, ৯৪৩৫২১১৭৭৩
e-mail : apc.assam1970@gmail.com

পৰিৱেশক ঃ ছানবাৰ্ড ইণ্ডিয়া, লাচিতনগৰ, গুৱাহাটী-৭

প্ৰথম প্ৰকাশ ঃ আগষ্ট, ২০১৭

© সম্পাদক

ISBN : 978-81-86384-43-5

মূল্য ঃ ৩৩০.০০ টকা
পুথিভঁৰাল মূল্য ঃ ৫০০.০০ টকা

প্ৰচ্ছদ শিল্পী ঃ সঞ্জীৱ বৰা

ছপাওঁতা ঃ আঙ্গিক প্ৰেছ, আমবাৰী, গুৱাহাটী-১

## সাহিত্য

২১৩
ডঃ ৰীতা চৌধুৰী
সুবৰ্ণলতা
২২৩
ডঃ কানন মেধি পাটগিৰী
ভবেন্দ্ৰনাথ শইকীয়াৰ একাংকিকা নাটক
২৩৯
ডঃ উৎপলা দেৱী
লীলা গগৈৰ হাস্য-ব্যঙ্গ ৰচনা ঃ এটি সমীক্ষা
২৭৮
ডঃ হৰি প্ৰসাদ বৰুৱা
মিতভাষ ঃ ৰূপ, ভাবনা আৰু শৈলী
২৮৯
ডঃ নীলিমা গোস্বামী শৰ্মা
অসমীয়া আৰু বাংলা শিশু সাহিত্য ঃ এটি তুলনামূলক অধ্যয়ন
৩০১
ডঃ স্মৃতিৰেখা ভূঞা
কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতি
৩২৩
ডঃ চুমী কলিতা
অসমীয়া গদ্যৰীতি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন
৩৩৩
ডঃ কনিকা মেধী
মহেন্দ্ৰ বৰাৰ ভাষা আৰু ৰচনাশৈলী
৩৪০
ডঃ নগেন্দ্ৰ নাথ মেধি
ৰাভা জনজাতিৰ সাংস্কৃতিক বৈশিষ্ট্য ঃ এক চমু অৱলোকন
৩৬৩
ডঃ পৰাগ কুমাৰ নাথ
চাহ জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি
৩৭৯
লেখকৰ পৰিচিতি

# মিত-ভাষ ঃ ৰূপ, ভাবনা আৰু শৈলী

ড° হৰি প্ৰসাদ বৰুৱা

**'মিত-ভাষ'ৰ ৰূপ ঃ**

অসমীয়া সাহিত্যৰ ইতিহাসত 'মিত-ভাষ'ৰ ৰচক হিচাপে নগেন শইকীয়াৰ নাম সুপৰিচিত। এতিয়ালৈকে শইকীয়াৰ দুখন মিত-ভাষ সংকলন প্ৰকাশিত হৈছে— 'মিত-ভাষ' (১৯৯৫) আৰু 'স্বপ্ন-স্মৃতি-বিষাদ' (১৯৯৭)। তেওঁৰ ভালেমান মিত-ভাষ অসংকলিতৰূপতো আছে। সেইবোৰ বিভিন্ন কাকত আলোচনীৰ পাতত প্ৰকাশিত হৈছে। তদুপৰি বৰ্তমানেও তেওঁ মিত-ভাষ ৰচনা কৰি আছে। উল্লেখযোগ্য যে নগেন শইকীয়াই তেওঁৰ মিত-ভাষসমূহক কবিতা বুলি অভিহিত কৰা নাই। 'মিত-ভাষ' গ্ৰন্থখনিৰ শেষৰ পিনে সংযুক্ত কৰি দিয়া 'অমিত-ভাষ' শিতানত মিত-ভাষ সম্পৰ্কে নিজৰ অভিমত প্ৰকাশ কৰি তেওঁ কৈছে—

> *'মিত-ভাষ' কি — এই প্ৰশ্নটো মোৰো, যদিও নামটো ময়ে দিছোঁ। মোৰ এই লেখাখিনিক পৰিচয় কৰাই দিবলৈ ইয়াতকৈ বেলেগ এটা শব্দ বিচাৰি পোৱা নাই। নিঃসীম শূন্যতাৰ পটভূমিত নিজৰ জীৱনক অনুভৱ কৰোঁতে মনৰ ভিতৰত সৃষ্টি হোৱা ৰাগ-অনুৰাগৰ ই বোধকৰোঁ অসহায় শব্দৰ প্ৰকাশ হৈ ধৰা দিছে। মিত-ভাষ সেয়ে কবিতা নহয়, কথা-কবিতা নহয়, গল্পৰ স্কেচ্ছ নহয় বা দাৰ্শনিক চিন্তাৰ প্ৰকাশো নহয়।... এইখিনিক প্ৰথাসিদ্ধ কোনোটো ধাৰাতে পেলাব নোৱাৰি। সেয়ে তাৰ নাম 'মিত-ভাষ' ঃ 'চমু কথা'ৰে মোৰ অনুভৱ প্ৰকাশৰ বাট।*[১]

নগেন শইকীয়াৰ মতে মিত-ভাষ এটা নতুন ফৰ্ম। তেওঁ নিজেই এই ফৰ্মৰ সন্ধান কৰিছে। এই ফৰ্ম সন্ধানৰ কাৰণ আৰু ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে তেওঁ লিখিছে— "It has almost become an obsession and deep source of pain for me

---

১। নগেন শইকীয়া, 'মিত-ভাষ', অমিত-ভাষ